**অসম বিধান সভা**

**তৰাচিহ্নিত প্ৰশ্ন নং - ১৩৯**

**উত্তৰ দানৰ তাৰিখ-১৪/৭/২০২৬**

**ডঃ মৃদুল কুমাৰ দত্ত, বিধায়ক**

**বিষয় : নেঘেৰিটিং শিৱ দ'ল**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ঐতিহাসিক দেৰগাঁও শিৱ মন্দিৰৰ ভূমি বেদখল হৈছে নেকি ? যদি হৈছে, চৰকাৰে কিবা পদক্ষেপ লৈছে নেকি ?

(খ) উক্ত মন্দিৰটো পৰ্য্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰৰ কিবা পদক্ষেপ আছে নেকি ?

(গ) যদি আছে তেন্তে সেই পদক্ষেপ কেতিয়া ল'ব ?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

**(ক)** ঐতিহাসিক শিৱ মন্দিৰ, নেঘেৰিটিং, দেৰগাঁও এক ৰাষ্ট্ৰীয় গুৰুত্বসম্পন্ন সংৰক্ষিত কীৰ্তিচিহ্ন আৰু ই ভাৰতৰ প্ৰত্নতাত্বিক জৰীপ **(Archaeological Survey of India)**, গুৱাহাটী চক্ৰৰ অধীনস্থ। অধীক্ষক পুৰাতত্ববিদ, ভাৰতৰ প্ৰত্নতাত্বিক জৰীপ **(Archaeological Survey of India)**, গুৱাহাটী চক্ৰৰ পৰা আৰু ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা প্ৰাপ্ত প্ৰতিবেদন অনুসৰি, উক্ত কীৰ্তিচিহ্নটোৰ সংৰক্ষিত এলেকাৰ ভিতৰত কোনো ধৰণৰ বেদখল হোৱা নাই।

**(খ)** ঐতিহাসিক শিৱ মন্দিৰ, নেঘেৰিটিং, দেৰগাঁও ভাৰতৰ প্ৰত্নতাত্বিক জৰীপ **(Archaeological Survey of India)**, গুৱাহাটী চক্ৰৰ অধীনস্থএক ৰাষ্ট্ৰীয় গুৰুত্বসম্পন্ন সংৰক্ষিত কীৰ্তিচিহ্ন হোৱা হেতু ইয়াৰ সংৰক্ষণ, পুনৰুদ্ধাৰ, সৌন্দৰ্যবৰ্দ্ধন আদিৰ দায়িত্ব ভাৰতৰ প্ৰত্নতাত্বিক জৰীপ বিভাগৰ অধীনত আৰু সেই অনুসৰি উক্ত কীৰ্তিচিহ্নটোৰ সংৰক্ষণ, সংৰক্ষিত ঐতিহ্যৰ সুৰক্ষা আৰু নিয়মীয়া ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ উপৰিও দৰ্শনাৰ্থীসকলৰ অভিজ্ঞতা অধিক সুচল আৰু উপভোগ্য কৰি তোলাৰ উদ্দেশ্যে কীৰ্তিচিহ্নটোৰ চৌহদত বিভিন্ন মৌলিক সুবিধা যেনে সু-ৰক্ষণাবেক্ষিত বহাৰ ব্যৱস্থা, তথ্যসমৃদ্ধ সাংস্কৃতিক তথা ব্যাখ্যামূলক জাননী ফলক, সুপৰিকল্পিত লেণ্ডস্কেপিং, পৰিষ্কাৰ-পৰিচ্ছন্ন শৌচাগাৰ (টয়লেট) ব্লক আৰু পৰ্যাপ্ত পাৰ্কিংৰ সুবিধা উপলব্ধ কৰা হৈছে। পৰ্য্যটন বিভাগ, অসম চৰকাৰৰ দ্বাৰা এই ঐতিহাসিক শিৱ মন্দিৰৰ প্ৰচাৰৰ উদ্দ্যেশ্যে বিভাগীয় প্ৰচাৰ পত্ৰিকাত ইতিমধ্যে সন্নিৱিষ্ট কৰা হৈছে।

**(গ)** ইতিমধ্যে পৰ্য্যটন বিভাগে এই বিষয়ে প্ৰত্নতত্ব বিভাগৰ সৈতে যোগাযোগ কৰিছে।

---------------XXXX---------------

The reply has been submitted in the NeVA portal of Assam Legislative Assembly